প্ৰেছ বাৰ্তা

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ, অসম

## স্থানীয় সম্পদৰ উপযুক্ত ব্যৱহাৰেৰে গ্ৰামাঞ্চলৰ বিকাশ সাধনৰ যোগেদি আত্মনিৰ্ভৰ অসম গঢ়াৰ লক্ষ্য পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ

# ফিচ (FISS) ইণ্ডিয়াৰ লগত বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰিলে আয়ুক্ত হেমেন দাসে

**গুৱাহাটী ০১ ছেপ্টেম্বৰ ঃ** অসমৰ তৃণমূল পৰ্যায়ৰ স্বশক্তিকৰণ মাধ্যমেৰে আত্মনিৰ্ভৰ অসম গঢ়াত অৰিহনা যোগোৱাৰ অৰ্থে অলপতে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ আৰু Foundation for Integrated Support and Solution(**FISS**)ৰ মাজত এক বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। বিভাগৰ হৈ এই চুক্তি স্বাক্ষৰ কৰে আয়ুক্ত হেমেন দাসে আৰু ফাউণ্ডেচনটোৰ হৈ স্বাক্ষৰ কৰে সঞ্চালক প্ৰদীপ হাজৰিকাই। স্থানীয় সম্পদ আৰু সেৱাৰ সঠিক ব্যৱহাৰৰ বাবে প্ৰব্ৰজিত লোকসকল, ৰাজ্যৰ কৰ্মহীন হৈ থকা অথচ কামৰ বাবে আগ্ৰহী লোকসকলৰ কৌশল আদিৰ বিশ্লেষণেৰে এই কৰ্মশক্তিৰ তালিকা, কামৰ ৰূপৰেখা প্ৰস্তুত কৰাৰ উপৰি ক্ষেত্ৰভিত্তিক তথ্য আহৰণেৰে এই ব্যৱস্থা সম্পৰ্কত ফিচ ইণ্ডিয়াই পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগক বিভিন্ন দিক নিৰ্দেশনাৰে সহযোগ আগবঢ়াব। এই বুজাবুজিৰ চুক্তিয়ে আত্মনিৰ্ভৰ অসমৰ বাবে আত্মনিৰ্ভৰ গ্ৰামাঞ্চল সৃষ্টিত বিশেষ অৰিহনা আগবঢ়াব পাৰিব বুলি আয়ুক্ত দাসে আশা প্ৰকাশ কৰে। চুক্তি স্বাক্ষৰ কৰাৰ সময়ত বিভাগৰ উপ সঞ্চালক বাসৰী ঠাকুৰীয়া আৰু ফাউণ্ডেচনৰ কাৰিকৰী বিষয়ববীয়াসকল উপস্থিত থাকে।

*এমআৰডি/০১-০৯-২০২০*